# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 05-01-2025
**Time :** 09-00hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::::

HEADLINE

১। অসমত বিনিয়োগৰ অধিক সম্ভাৱনা সৃষ্টিৰ উদ্দেশ্য টাটা গ্ৰুপৰ অধ্যক্ষৰ সৈতে মুম্বাইত মুখ্যমন্ত্ৰীৰ আলোচনা। কাইলৈ মুম্বাইত এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ ৰডশ্ব'।

২। সাম্প্ৰতিক সময়ত আহোম জনগোষ্ঠী সৰ্ববৃহৎ সংকটৰ মুখামুখি হৈছে বুলি বি বি চিৰ জ্যেষ্ঠ সাংবাদিক শচীন গগৈৰ প্ৰকাশ।

৩। অসম গ্ৰন্থ মেলাত আজি শিশুৰ দিন উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৪। বিত্তীয় কেলেংকাৰীৰ বাবে আন কেইবাটাও বেংকৰ লগতে মহাভৈৰৱ বেংকৰ অনুজ্ঞা বাতিল।

*আৰু*

৫। চিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ভাৰতে অষ্ট্ৰেলিয়াক ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

অসমত এডভাণ্টেজ আছাম দ্বিতীয় তথা বিনিয়োগৰ সম্ভাৱনীয়তা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত দেশৰ আগশাৰীৰ উদ্যোগিক প্ৰতিষ্ঠান- টাটা গ্ৰুপৰ অধ্যক্ষ আৰু আন শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰন, টাটা কঞ্জিউমাৰৰ মুখ্য কাৰ্যবাহী বিষয়া সুনীল ডিছুজা, টাটা পাৱাৰৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰবীৰ সিনহা, টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ড০ ৰনধীৰ ঠাকুৰকে ধৰি কোম্পানীটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে অনুষ্ঠিত এই বৈঠকত মুখ্যন্ত্ৰীয়ে অসমত বিভিন্ন আন্তঃগাঁথনি নিৰ্মাণ, ইলেকট্ৰনিকছ, ছেমিকণ্ডাক্ট, সেউজ শক্তি উৎপাদন, দক্ষতা বিকাশ আদি বিভিন্ন ক্ষেত্ৰত কোম্পানীটোৰ সৈতে অসমৰ চৰকাৰৰ যৌথ প্ৰকল্পৰ সম্ভাৱনীয়তা সম্পৰ্কে আলোচনা কৰে। আলোচনা কালত মুখ্যমন্ত্ৰীয়ে অসমত টাটা গ্ৰুপৰ সম্প্ৰসাৰণৰ পৰিকল্পনাৰ পৰ্যালোচনা কৰাৰ লগতে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত টাটা গ্ৰুপক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই আলোচনাত মুখ্যমন্ত্ৰী, মুখ্যসচিব ড০ ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড০ এ কে ট্ৰিবেদি আৰু বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সচিব ড০ লক্ষ্মণন এছ্ এ সহায় কৰে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ফাৰ্মাছিউটিকেল কোম্পানী- ছান ফাৰ্মাৰ কাৰ্যবাহী সঞ্চালক আলোক চাংভী আৰু কোম্পানীটোৰ অপাৰেচন শাখাৰ মুৰব্বী ৰাহুল অবষ্ঠিৰ সৈতেও আন এখন বৈঠকত মিলিত হয়।

তিনি দিনীয়া ভ্ৰমণসূচী লৈ মুম্বাইলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কাইলৈ মুম্বাইত এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ সন্মিলনৰ সজাগতা সৃষ্টিৰ বাবে আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০

শৰ্মাই লাৰ্চেন এণ্ড টাৰ্বো, মাহেন্দ্ৰ গ্ৰুপ আৰু আদানী বিমান বন্দৰ গ্ৰুপৰ লগতে কেইবাটাও বৃহৎ উদ্যোগ আৰু ব্যৱসায়ী গোষ্ঠীৰ সৈতে আলোচনাত মিলিত হ'ব।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। তেওঁ তাত বিয়লি জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে, ৰাজ্যপালগৰাকীয়ে সংবাদ মাধ্যমৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদ দাতাই জনাইছে।

০০০০০০০

অসম গ্ৰন্থ মেলাত আজি শিশুৰ দিন শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে পুৱা চাৰে ৯ বজাৰ পৰা দিনৰ ২ বজালৈ  চিত্ৰাংকন, মুকলি কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত কালি পৰ্যন্ত ৫ কোটি ১০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

সাম্প্ৰতিক সময়ত আহোম জনগোষ্ঠী সৰ্ববৃহৎ সংকটৰ মুখামুখি হৈছে বুলি বি বি চিৰ জ্যেষ্ঠ সাংবাদিক শচীন গগৈয়ে প্ৰকাশ কৰিছে। বি বি চিৰ চাউথ ইষ্ট এচিয়াৰ এডিটৰিয়েল লীড শচীন গগৈয়ে চৰাইদেউ জিলাৰ সোণাৰীত অনুষ্ঠিত টাই আহোম যুৱ পৰিষদ অসম চমুকৈ টাইপাৰ কেন্দ্ৰীয় চৰাইদেউ অধিবেশনত অসমৰ জাতীয় জীৱনলৈ টাই আহোম জনগোষ্ঠীৰ অৱদান শীৰ্ষক বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ কয়, যে ১৯৬২ চনত মিৰজুমলাই ৰাজধানী গড়গাঁও দখল কৰি আহোমৰ অস্তিত্বৰ প্ৰতি ভাবুকি আনিছিল। দ্বিতীয় সংকটৰ সময়খিনি আছিল ১৬৭৯ চনৰ পৰা ১৬৮১ পৰ্যন্ত। এই সময়ছোৱাত লালকুসোলা বৰফুকনৰ মন্ত্ৰণাত লৰাৰজাই স্বজাতিৰ সংহাৰত নামি পৰিছিল। জাতিটোৰ তৃতীয় সংকট আহিছিল ১৮১৭চনৰ মানৰ আক্ৰমণৰ সময়ত। এই তিনিওটা সংকট কালত পৰিলক্ষিত হোৱা একেবোৰ লক্ষণ সাম্প্ৰতিক সময়খিনিতো পৰিস্ফুত হৈ উঠা বুলি বি বি চিৰ জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে আভ্যন্তৰীণ বিবাদ আৰু বিভেদৰ ফলত আহোমসকলে ৰাজনৈতিক ক্ষেত্ৰত সৱলভাৱে নেতৃত্ব লোৱাত বিফল হৈছে।

০০০০০০০

বিত্তীয় খেলিমেলি আৰু দুৰ্নীতিৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকিং আইন ১৯৫৪ৰ অধীনত দেশৰ ভিন্ন প্ৰান্তৰ ১১ টাকৈ বেংক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ বাতিল কৰিছে। ইয়াৰে ভিতৰত বিগত সময়ছোৱাত বিভিন্ন বিত্তীয় কেলেংকাৰীত নাম সাঙুৰ খোৱা তেজপুৰৰ মহাভৈৰৱ কো অপাৰেটিভ আৰবান বেংক লিমিটেড নামৰ বিত্তীয় প্ৰতিষ্ঠানটোৰো ৰিজাৰ্ভ বেংকে অনুজ্ঞা পত্ৰ বাতিল কৰিছে। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৰ একাংশ প্ৰাক্তন পৰিচালক, কৰ্মচাৰী আৰু ধন সংগ্ৰাহকে গ্ৰাহকৰ পৰা কোটি টকা আত্মসাতৰ অভিযোগ উপস্থিত হৈছিল। অভিযোগসমূহ পৰীক্ষা কৰাৰ পাছত প্ৰায় ১১ কোটি টকাৰ কেলেংকাৰীৰ তথ্য লাভ কৰি প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে ৰিজাৰ্ভ বেংকে এই ব্যৱস্থা গ্ৰহণ কৰিছে। ২০২৩ চনতে তেজপুৰ উকীল সন্থাই বিত্তীয় প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে আৰক্ষী ওচৰত এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে কেৱল গোচৰটো ৰুজু কৰিয়ে দায়িত্ব সামৰিছিল।

০০০০০০০

বিদেশী ন্যায়াধীকৰণে বিদেশী হিচাপে ঘোষণা কৰা  মৰিগাঁৱৰ দুজন শিক্ষকক ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। শিক্ষা সঞ্চালকালয়ে এটা নিৰ্দেশনাৰ জৰিয়তে মৰিগাঁও জিলাৰ কপিলিৰ ঠেংখালি খান্দা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক খাইৰুল ইছলাম আৰু মৰিগাঁৱ লাহৰিঘাটৰ উলুবাৰী এন ই স্কুলৰ বিজ্ঞান শিক্ষক আব্দুল ৰিছদক নিলম্বন কৰে। দুয়োগৰাকী শিক্ষকে বিদেশী ন্যায়াধীকৰণে তেওঁলোকক বিদেশী হিচাপে কৰা ঘোষণা সন্দৰ্ভত পাছত উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ে শিক্ষক দুগৰাকীৰ ক্ষেত্ৰত বিদেশী ন্যায়াধীকৰণৰ ৰায়ক বাহাল ৰখাৰ পৰিপ্ৰেক্ষিতত শিক্ষা সঞ্চালকালয়ে দুয়োগৰাকী শিক্ষককে চাকৰিৰ পৰা নিলম্বন কৰি নিৰ্দেশনা জাৰি কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত অসমত বান নিয়ন্ত্ৰণৰ বাবে নিৰ্মাণ কৰা মথাউৰিসমূহৰ কাৰ্যকাৰীতা সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত চলি থকা এই মাহৰ অন্ন সেৱা দিন অভিযানৰ কালি চতুৰ্থ দিনালৈকে সমগ্ৰ ৰাজ্যৰ ৬২ শতাংশতকৈও অধিক হিতাধিকাৰীয়ে ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰিছে। ৬৬ শতাংশতকৈও অধিক লোকৰ মাজত বিনামূলীয়া খাদ্য বিতৰণ কৰা হৈছে। ৰাজ্য চৰকাৰ প্ৰতিজন নাগৰিকৰ খাদ্য আৰু পুৰিপুষ্টি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বদ্ধপৰিকৰ। চৰকাৰে অহা ১০ জানুৱাৰীলৈকে অন্ন সেৱা দিন অভিযানৰ জৰিয়তে হিতাধিকাৰীসকলৰ মাজত বিনামূলীয়া খাদ্য বিতৰণ কৰিব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১১ পৰা ১৩ জানুৱাৰীলৈ স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ গণনা কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী বন সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল এলেকাত ষষ্ঠবাৰৰ বাবে এই বিশেষ পক্ষী গণনা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়াই এই বিষয়ে জানিবলৈ দিয়ে। কাজিৰঙাত হ'বলগীয়া এই গণনাত বন বিভাগৰ বিষয়া কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে দাঁতিকাষৰীয়া বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো প্ৰশিক্ষণ দি গণনা কাৰ্যসূচীত নিয়োগ কৰা হ'ব বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় উদ্যানৰ বিল,জলাশয় আদি বিগত বৰ্ষত কৰা গণনাত ৮৮ হাজাৰ ৭১০ টা চৰাই পোৱা গৈছে। ১৮৪ বিধ বিভিন্ন প্ৰজাতিৰ চৰাই এই গণনাত পৰিলক্ষিত হৈছিল।

০০০০০০০

বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদৰ বিধায়ক পদ বাহাল ৰাখিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপত বিধানসভাৰ অধ্যক্ষই কালি এই চূড়ান্ত ৰায় দিয়ে। কংগ্ৰেছৰ আবেদন খাৰিজ কৰি শ্বেৰমানৰ বিধায়ক পদ বাহাল ৰখা হয়। বিধায়ক পদ খাৰিজ কৰিব পৰাকৈ শ্বেৰমান আলীয়ে সংবিধানৰ ১০ নম্বৰ অনুচ্ছেদ উলংঘা কৰা নাই বুলি অধ্যক্ষ শ্ৰীদৈমাৰীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

তিনিচুকীয়া জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ আই কিউ এ চিৰ উদ্যোগত আজি অৰ্গেনিক পদ্ধতিৰে কিদৰে খেতি কৰিব পাৰি সেই সন্দৰ্ভত এলানি সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া নগৰৰ দেওবৰীয়া বজাৰত এই সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ চৈতন্য বৰাই সদৰি কৰিছে। মহাবিদ্যালয়খনত অৰ্গেনিক পদ্ধতিৰে কৰা খেতিৰ দ্বাৰা উৎপাদিত শাক-পাচলি সামগ্ৰী বিক্ৰিৰো ব্যৱস্থা থাকিব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনাইছে।

০০০০০০০

ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে লখিমপুৰ জিলাত আজি অসম আৰক্ষী উপ পৰিদৰ্শক পদৰ বাবে অসামৰিক প্ৰতিৰক্ষা সংযুক্ত পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা দণ্ডাধীশে পৰীক্ষা হ'বলগীয়া কেন্দ্ৰসমূহত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ কামত নিয়োজিত বিষয়া কৰ্মচাৰীৰ বাবে অন্য লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। কোনো প্ৰাৰ্থীয়ে মোবাইল ফোন নাইবা কোনো ধৰণৰ ডিজিটেল যোগাযোগৰ মাধ্যম, কেলকুলেটৰ, পেইন ড্ৰাইভ, পাঠ্যপুথি আদি পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ নিব নোৱাৰিব। এই আদেশ অমান্য কৰা সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলিও প্ৰশাসনে জনাইছে।

কাৰ্বি আংলং জিলাতো আজি আৰক্ষী উপ পৰিদৰ্শক পদৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। ডিফু চৰকাৰী মহাবিদ্যালয়, ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডিফু ডনবস্ক', জুনিয়ৰ কলেজ, বোকাজান কলেজ আদিত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা শান্তিপূৰ্ণভাৱে পৰিচালনা কৰিবলৈ কাৰ্বি আংলং জিলা প্ৰশাসনে জিলা দণ্ডাধীশক দায়িত্ব অৰ্পণ কৰিছে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চলি থকা ৰামধেনু উৎসৱৰ আজি পঞ্চম দিন। আজি দিনৰ ভাগত শিশু আৰু চেমনীয়াসকলৰ বাবে মৌ মেল, থলুৱা খাদ্য প্ৰতিযোগিতা, পুতলা নাট, সাংস্কৃতিক কাৰ্যসূচী আদিৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ কাইলৈৰ দিনটোত পুতলা নাটৰ লগতে বিশিষ্ট শিল্পী ড০ কুলদীপ পাটগিৰি মুকাভিনয় আৰু পঞ্চসুৰৰ পৰিচালনাত দেশপ্ৰেমমূলক নাট চুকাফা মঞ্চস্থ কৰা হ'ব। কলাক্ষেত্ৰ সমাজে কেওদিনৰ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পাইছে।

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমাৰ মেৰাপানী ডি ছেক্টৰৰ বিবাদমান এলেকাত কাঠফুলাৰ দৰে গঢ়ি উঠা ষ্টন ক্ৰাছৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেখন কাকতে অসমৰ অন্যতম লোককৃষ্টি ওজাপালিক আইৰণ গাৰ্লছ -এ বিশ্ব দৰবাৰত সমৃদ্ধ কৰিলে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ বিৰুদ্ধে হাছমানি গোচৰত ১০ জানুৱাৰীত হাছমানি গোচৰত ১০ জানুৱাৰীত শাস্তি নিৰ্ধাৰণ কৰা বাতৰিটো দ্যা আসাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। এডভেণ্টেজ আসামৰ বাবে বিনিয়োগকাৰীৰ সন্ধানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

টাটা কোম্পানীৰ অধ্যক্ষ এন চন্দ্ৰশেখৰক সাক্ষাৎ  কৰা বাতৰি নিয়মীয়া বাৰ্তা কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

একেখন কাকতে শিক্ষক সংস্থাৰে হোৱা শিক্ষামন্ত্ৰীৰ বৈঠকৰ এটা বাতৰি গুণোৎসৱ বৰ্জন নকৰিবলৈ কলেজ সংস্থাক আহ্বান  ডাঃ পেগুৰ শিৰোনামেৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ প্ৰগতি ময়দানত গ্ৰামীণ ভাৰত মহোৎসৱ-২০২৫ মুকলি বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেখন কাকতে ভয়ংকৰ আৰ্থিক সংকট ভোগা অসমৰ জি ডি পি অনুপাতে ৪৮শতাংশ শিৰোনামেৰে অসমৰ অৰ্থনীতি সন্দৰ্ভত অখিল গগৈৰ মন্তব্যৰ ওপৰত আধাৰিত এটা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এইচ এম পি ভি ভাইৰাছে চীনত ত্ৰাসৰ সৃষ্টি কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে চীনত অচিন ভাইৰাছৰ আক্ৰমণ, ভাৰততো সতৰ্কতা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেখন কাকতে মণিপুৰ হিংসাৰ এটা বাতৰি মাস্কৰ ষ্টাৰলিংক ব্যৱহাৰেৰে সন্ত্ৰাস বিয় পাইছে মণিপুৰৰ বিদ্ৰোহীয়ে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহাকুম্ভ মেলাক লৈ প্ৰয়াগৰাজত ভক্তিময় পৰিৱেশ বিৰাজ কৰিছে এই বাতৰিটো দি চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জনজাতিকৰণৰ দাবীৰে দিছপুৰত টাইপাৰ প্ৰতিবাদ। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

একেখন কাকতে ৰাজ্যত ভয়াবহ শীতপ্ৰবাহৰ এটা বাতৰি প্ৰচণ্ড কুঁৱলী ঃ পাঁচশ বিমানৰ যাত্ৰা বাধাগ্ৰস্ত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

খাৰঘূলিৰ জল বিস্ফোৰণত ক্ষতিগ্ৰস্ত ২৩ টা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেখন কাকতে নগাঁৱৰ আতংক সৃষ্টি কৰা নাহৰ ফুটুকী ট্ৰেংকুলাইজ কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

০০০০০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমাৰ মেৰাপানী ডি চেক্টৰৰ বিবদমান এলেকাৰ সৰুপানী অঞ্চলত বহুসংখ্যক ষ্টোন ক্ৰাচাৰ গঢ়ি উঠিছে। নাগালেণ্ড চৰকাৰৰ বন বিভাগৰ পৰা চালান লৈ ডাম্পাৰবোৰে শিল-বালি সৰবৰাহ কৰাৰ ফলত ৰাজ্য চৰকাৰে বুজন পৰিমানৰ ৰাজহ হেৰুৱাইছে বুলিও অঞ্চলটোৰ সচেতন মহলে অভিযোগ কৰিছে।

০০০০০০০

চিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ভাৰতে অষ্ট্ৰেলিয়াক   জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমাৰ বাতৰি যুগুতোৱা পৰলৈকে অষ্ট্ৰেলিয়াই ৪ টা উইকেটৰ বিনিময়ত ১৫১ ৰান সংগ্ৰহ কৰিছে। কালি ৬টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা

১৪১ ৰানৰ পৰা আজি পুৰা ভাৰতে খেল আৰম্ভ কৰি কেৱল ১৬ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। আলহী দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ১৫৭ ৰান সংগ্ৰহ কৰে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ (ঘাইকৈ) ফৰকাল হৈ থাকিব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰিব। আজি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৫ ডিগ্ৰী চেলছিয়াচ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী চেলছিয়াচ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ১ ডিগ্ৰী চেলছিয়াচ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৯ ডিগ্ৰী চেলছিয়াচ।

০০০০০০০